# REGIONAL NEWS UNIT
# AKASHVANI : GUWAHATI

0000000000

**Date :** 11-03-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::**

অসম বিধানসভাত আজি ২০২৪-২৫ বৰ্ষৰ সাধাৰণ বাজেটক লৈ আলোচনা অনুষ্ঠিত হয়। আলোচনাত ভাগ লৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয়, যে ৰাজ্যখনৰ মূলধনী ব্যয় বৰ্তমান যথেষ্ট বৃদ্ধি হৈছে। ২০১৫-১৬ বৰ্ষত এই ব্যয় ২ হাজাৰ ৯৫১ কোটি আছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে ২০২৪-২৫ বৰ্ষত এই পৰিমাণ ২৪ হাজাৰ ৯৬৪ কোটি টকালৈ বৃদ্ধি হৈছে। ইয়াৰ ফলস্বৰূপে ৰাজ্যখন মূলধনী ব্যয়ৰ ক্ষেত্ৰত দেশৰ আগশাৰীৰ ৰাজ্যসমূহৰ ভিতৰত এখন অন্যতম ৰাজ্য হ'বলৈ সাজু হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ দেশৰ বৰ্তমান সামগ্ৰিক বিকাশৰ হাৰ ৯ শতাংশৰ তুলনাত অসমৰ বিকাশৰ হাৰ ১৪ৰ পৰা ১৫ শতাংশ বুলি উল্লেখ কৰে। ৰাজ্য চৰকাৰৰ ধ্বজাবাহী আঁচনি অৰুণোদয়ৰ জৰিয়তে তৃণমূল পৰ্যায়ত অৰ্থনীতিৰ বিকাশ ঘটিছে বুলি উল্লেখ কৰি ডঃ শৰ্মাই কয়, যে দেশৰ প্ৰায় ৫ খন ৰাজ্যই অৰুণোদয় আঁচনিৰ দ্বাৰা অনুপ্ৰাণিত হৈ এনেধৰণৰ আঁচনি ৰূপায়ণ কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ ১৭টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বৰ্তমান সময়ত লাভজনক পৰ্যায়ত আছে আৰু এই প্ৰতিষ্ঠানসমূহে সামূহিক মুঠ সম্পদত প্ৰায় ৪০ হাজাৰ কোটি টকাৰ অৰিহনা যোগাইছে। ৰাজ্য চৰকাৰে মহানগৰৰ সংখ্যা বৃদ্ধি কৰাৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় জিলাক অসমৰ দ্বিতীয়খন ৰাজধানী হিচাপে গঢ়ি তোলাৰ পৰিকল্পনাৰ কথা প্ৰকাশ কৰে।

ৰাজ্যত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত জিলা পৰিষদ পৰ্যায়ত ৫৯৪টা আৰু উন্নয়ন খণ্ড পৰ্যায়ত ২ হাজাৰ ৭১০টা পদ খালী হৈ আছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বিধানসভাত বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে খালী হৈ থকা পদসমূহ প্ৰয়োজন সাপেক্ষে পূৰণ কৰাৰ লগতে পৰ্যায়ক্ৰমে পদোন্নতিৰ ব্যৱস্থা কৰা হ'ব। বিভাগটোৰ অধীনত বৰ্তমান ৭ হাজাৰ ৫৮৭ জন ঠিকাভিত্তিক কৰ্মচাৰী বিভিন্ন পৰ্যায়ত কৰ্মৰত হৈ আছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিক লৈ বিৰোধীয়ে সমালোচনা কৰাৰ বিষয়ত অসন্তুষ্টি প্ৰকাশ কৰি ডঃ শৰ্মাই কয়, যে এই আঁচনি ৰূপায়ণৰ ফলত স্নাতক প্ৰথম বৰ্ষত নামভৰ্তি কৰা কোনো এগৰাকী ছাত্ৰীয়ে আধাতে কলেজ এৰিবলগীয়া হোৱা নাই। আঁচনিখনৰ দ্বিতীয় পৰ্যায়ত ইয়াৰ সুবিধাসমূহ আৰু অধিক সম্প্ৰসাৰিত কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে স্নাতক হোৱাৰ পাছত যুৱক-যুৱতীসকলৰ জীৱন সংগ্ৰামৰ কথা উল্লেখ কৰি কয়, যে নিয়োগৰ সন্ধানত থকা যুৱক-যুৱতীসকলক বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সময়ছোৱাত আৰ্থিক সকাহ প্ৰদানৰ বাবে চৰকাৰে পৰিকল্পনা লৈছে। এতিয়াৰে পৰা এনে যুৱক-যুৱতীসকলক জীৱন প্ৰেৰণা আঁচনিৰ অধীনত প্ৰতিমাহে ২ হাজাৰ ৫০০ টকাকৈ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ৰাজ্যত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত জিলা পৰিষদ পৰ্যায়ত ৫৯৪টা আৰু উন্নয়ন খণ্ড পৰ্যায়ত ২ হাজাৰ ৭১০টা পদ খালী হৈ আছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বিধানসভাত বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে খালী হৈ থকা পদসমূহ প্ৰয়োজন সাপেক্ষে পূৰণ কৰাৰ লগতে পৰ্যায়ক্ৰমে পদোন্নতিৰ ব্যৱস্থা কৰা হ'ব। বিভাগটোৰ অধীনত বৰ্তমান ৭ হাজাৰ ৫৮৭ জন ঠিকাভিত্তিক কৰ্মচাৰী বিভিন্ন পৰ্যায়ত কৰ্মৰত হৈ আছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

ৰাজ্যত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত জিলা পৰিষদ পৰ্যায়ত ৫৯৪টা আৰু উন্নয়ন খণ্ড পৰ্যায়ত ২ হাজাৰ ৭১০টা পদ খালী হৈ আছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বিধানসভাত বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এটা প্ৰশ্নৰ উত্তৰত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে খালী হৈ থকা পদসমূহ প্ৰয়োজন সাপেক্ষে পূৰণ কৰাৰ লগতে পৰ্যায়ক্ৰমে পদোন্নতিৰ ব্যৱস্থা কৰা হ'ব। বিভাগটোৰ অধীনত বৰ্তমান ৭ হাজাৰ ৫৮৭ জন ঠিকাভিত্তিক কৰ্মচাৰী বিভিন্ন পৰ্যায়ত কৰ্মৰত হৈ আছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০

বৰপেটা জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে আজি এক ৰায়দানৰ জৰিয়তে হত্যাৰ অভিযোগত দোষী সাব্যস্ত কৰি ৪ জন লোকক যাৱজ্জীৱন কাৰাদণ্ড বিহে। নজৰুল ইছলাম নামৰ এজন লোকক হত্যা কৰাৰ অপৰাধত আজিমুদ্দিন, আমিদুল ইচলাম, ৰহিম বাদশ্বাহ আৰু আব্দুল গণিক এই শাস্তি বিহা হয়। সৰ্থেবাৰী আৰক্ষী থানাত এই ঘটনা সন্দৰ্ভত ভুক্তভোগী পৰিয়ালে গোটৰ ৰুজু কৰিছিল। কেইবালানি শুনানিৰ অন্তত আজি আদালতে গোচৰটোৰ ৰায় প্ৰদান কৰে।

০০০০

অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ উদ্যোগত আজি গুৱাহাটী মহানগৰীৰ ৰূপনগৰত ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাবে বিনামুলীয়া হিন্দী পাঠ্যপুথি বিতৰণ কাৰ্যসূচী শুভাৰম্ভ কৰা হয়। অসম ৰাজ্যিক পাঠ্যপুথি প্ৰনয়ন আৰু প্ৰকাশন নিগমৰ অধ্যক্ষ দেবানন্দ হাজৰিকাই পতাকা জোকাৰি এই কাৰ্যসূচী মুকলি কৰে। উল্লেখযোগ্য যে চলিত বৰ্ষত ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ অধীনত অধ্যয়নৰত প্ৰায় ২৩ লাখ শিক্ষাৰ্থীৰ বাবে হিন্দী পাঠপুথি প্ৰেৰণ কৰা হ'ব। আজিৰ এই কাৰ্যসূচীৰ জৰিয়তে ৮ টা খণ্ডলৈ কিতাপ প্ৰেৰণ কৰা হৈছে। অহা ২৭ মাৰ্চৰ পূৰ্বে ৰাজ্যৰ প্ৰতিখন জিলালৈ এই পাঠ্যপুথি প্ৰেৰণ কৰা হ'ব বুলি অধ্যক্ষ শ্ৰীহাজৰিকাই জানিবলৈ দিয়ে।

০০০০

সমাগত দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি ব্যাপক আয়োজন চলিছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বৰপেটা সত্ৰত পৰহিলৈৰ পৰা চাৰিদিনীয়াকৈ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। পৰহিলৈ গোন্ধ যাত্ৰা, ১৪ আৰু ১৫ মাৰ্চত ভৰ দৌল আৰু ১৬ মাৰ্চত সত্ৰ চৌহদত সুঁৱেৰি বা ফাকুৱা উদযাপন কৰা হ'ব। উত্তৰ গুৱাহাটীৰ শ্ৰী শ্ৰী দৌলগোবিন্দ মন্দিৰত পৰহিলৈৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা

হৈছে। গুৱাহাটীৰ পূব শৰণীয়াৰ শ্ৰীমন্ত নামঘৰৰ কলাকৃষ্টি কেন্দ্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে পৰহিলৈৰ পৰা দৌল উৎসৱ উদযাপন কৰা হ'ব। দৌল উৎসৱ উপলক্ষে কামৰূপ মহানগৰ জিলাত ১৫ মাৰ্চত স্থানীয় বন্ধৰ দিন ঘোষণা কৰা হৈছে। সেইদিনা জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, বিত্তীয় অনুষ্ঠান আদি বন্ধ থাকিব। অৱশ্যে ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন প্ৰক্ৰিয়া, পৰীক্ষা আৰু আন জৰুৰীকালীন সেৱাত নিয়োজিত বিষয়া, কৰ্মচাৰী আৰু শিক্ষকসকলক স্থানীয় বন্ধৰ আওতাৰ পৰা ৰেহাই দিয়া হৈছে।

দৌল উৎসৱৰ লগত সংগতি ৰাখি ধেমাজিৰ মদাৰগুৰি কলিতাগাঁৱৰ ৰাইজৰ সহযোগত ১৪ৰ পৰা ২১ মাৰ্চলৈ

০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰেক্ষাপটত উত্তৰ পূৰ্বাঞ্চলৰ ভাষা প্ৰযুক্তি বিষয়ক দুদিনীয়া কৰ্মশালাৰ আজি অন্ত পৰে। কৰ্মশালাখনত উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ভাষাৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰযুক্তিসমূহ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিভংগীৰে ভাৰতীয় ভাষাসমূহক ডিজিটেল বিশ্বত উন্নীতকৰণ আৰু সৰলীকৰণ কৰাৰ ক্ষেত্ৰত পৰ্যালোচনা কৰা হয়। বিশেষকৈ অসমীয়া, বড়ো, নেপালী, মণিপুৰী আৰু ইংৰাজী ভাষাৰ মাজত **নিউৰেল মেচিন অনুবাদ** আৰু ভাৰতীয় ভাষাত কৃত্ৰিম বুদ্ধিমত্তাৰ ওপৰত আগতীয়াকৈ কাম কৰাৰ সন্দৰ্ভত অধিক গুৰুত্ব আৰোপ কৰা হয়। কৰ্মশালাখনত গণনাগত ভাষা বিজ্ঞান আৰু বহুশব্দৰ অভিব্যক্তি আদি সন্দৰ্ভত বিশ্লেষণ আৰু আলোচনা অনুষ্ঠিত হয়। অসমৰ বিশ্ববিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ শিক্ষা প্ৰতিষ্ঠানৰ গৱেষকসকলে এই কৰ্মশালাত অংশ লয়।

০০০০

ঃঃ সমাপ্ত ঃঃ